# বাজেট অধিবেশন

(অসংশোধিত/প্ৰকাশৰ বাবে নহয়)

## কাৰ্যবিৱৰণী
## তাৰিখ ঃ ১৬/০৭/২০২১ শুকুৰবাৰ

---

**আজি ইংৰাজী ১৬-০৭-২০২১ তাৰিখে পঞ্চদশ অসম বিধান সভাৰ বাজেট অধিৱেশনৰ কাম-কাজ পূৰ্ব নিৰ্ধাৰিত সময়মতে ৰাতিপুৱা ৯ .০০ বজাৰ পৰা আৰম্ভ হয়।**

**মাননীয় অধ্যক্ষ ঃ** প্ৰশ্ন নং-৮২।

**শ্ৰী অশোক সিংহল (মন্ত্ৰী, গুৱাহাটী উন্নয়ন, নগৰ উন্নয়ণ ইত্যাদি) ঃ** মাননীয় অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত দিয়া আছে।

**শ্ৰী ৰমেন্দ্ৰ নাৰায়ণ কলিতা (পশ্চিম গুৱাহাটী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই প্ৰশ্নৰ উত্তৰ পাইছো। কিন্তু ২০১৯-২০ ৰ যিখিনি টকা জি ডি ডি য়ে আমাক আৱণ্টন কৰিছিল, সেই টকাৰে আমি জি এম ডি এ ৰ জৰিয়তে সেই কামখিনি কৰাৰ ব্যৱস্থা লৈছিলো। কিন্তু চাৰ, আজিৰ যিটো উত্তৰ দিছে যে এতিয়ালৈকে ৱৰ্ক অৰ্ডাৰ ইছ্যু কৰা নাই। এটা হাই কোৰ্টৰ কথা উল্লেখ কৰিছে। মই জানো যে নিৰ্ব্বাচনৰ আগতে হাই কোৰ্টে ইতিমধ্যে ডিৰেকশ্যন দিছে। গতিকে এই কামটো কিয় এতিয়ালৈকে কৰা হোৱা নাই মই এই কথাটো আপোনাৰ জৰিয়তে জানিব বিচাৰিছো আৰু দ্বিতীয়তে, আমাৰ আন্তঃগাঁথনিৰ কাৰণে ২০১৮-১৯ চনত যিখিনি টকা দিয়া হৈছিল এতিয়ালৈকে কাম সম্পূৰ্ণ হোৱা নাই, পঞ্চাশ শতাংশও কাম হোৱা নাই। তৃতীয়তে, মাননীয় অধ্যক্ষ মহোদয়, জৱাহৰলাল নেহৰু যিটো আমাৰ ৰাষ্ট্ৰীয় মিশ্যন আছিল, এই মিশ্যনৰ জৰিয়তে আমাৰ পশ্চিম গুৱাহাটী আৰু জালুকবাৰী এই দুটা সমষ্টিক লৈ প্ৰায় ৪০০ কোটি টকাৰ এটা খোৱা পানীৰ প্ৰজেক্ট লোৱা হৈছিল। এইটো আজি ১২ বছৰ হ'ল। এতিয়ালৈকে পশ্চিম গুৱাহাটী সমষ্টিৰ ৰাইজে পানী পোৱা নাই। গতিকে এইবিলাক কাম কেতিয়া হ'ব? এই কথাখিনি আপোনাৰ জৰিয়তে মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো।

**মাননীয় অধ্যক্ষ ঃ** মাননীয় মন্ত্ৰী ডাঙৰীয়া উত্তৰ দিয়ক।

**শ্ৰী অশোক সিংহল (মন্ত্ৰী, গুৱাহাটী উন্নয়ন, নগৰ উন্নয়ন ইত্যাদি) ঃ** মাননীয় অধ্যক্ষ মহোদয়, গুৱাহাটীত জি এম ডি এ এটা পানী যোগান আঁচনি ইমপ্লিমেণ্ট কৰি আছে বহুত দিন হ'ল আৰু তেখেতে যিটো কৈছে যে বহুত দিনৰ পৰা ৰাইজ অপেক্ষাত আছে এইটো সঁচা কথা। কিন্তু আজি আপোনাৰ জৰিয়তে মই সদনক জনাব বিচাৰিছো যে কামখিনি বহুতখিনি আগবাঢ়ি গ'ল আৰু জি এম ডি এ যিটো প্ৰকল্প কৰি আছে এন এন ইউ আৰ এম ৰ তাৰ পানী আমি অহা ১ বছৰৰ ভিতৰত গুৱাহাটীবাসী ৰাইজক আমি আগবঢ়াই দিব পাৰিম। তেখেতৰ দ্বিতীয় প্ৰশ্ন আছিল যে বহুত আঁচনিৰ এ এ দিয়া হোৱা নাই। মই তেখেতক আশ্বাস দিছো যে অহা ৬০ দিনৰ ভিতৰত যিমান এ এ পেণ্ডিং আছে, য'ত যি পেণ্ডিং আছে গোটেইটো নিষ্পত্তি কৰি কামটো আমি আগবঢ়াই ল'ব পাৰিম।

**মাননীয় অধ্যক্ষ ঃ** দ্বিতীয় পৰিপূৰক প্ৰশ্ন।

**শ্ৰী ৰমেন্দ্ৰ নাৰায়ণ কলিতা (পশ্চিম গুৱাহাটী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, এন এন ইউ আৰ এমৰ জৰিয়তে যিটো আঁচনি গ্ৰহণ কৰা হৈছিল, চাৰ, আপোনাৰ মোৰ সমষ্টিতে ঘৰ। আপুনিও পানীৰ অভাৱতে পৰি আছে। পানী ল'বৰ কাৰণে আজি প্ৰত্যেকটো অঞ্চলতে মানুহে ৰাতি দুই

বজাৰ পৰা লাইন কৰে, এনেকুৱা এটা অৱস্থাৰ সৃষ্টি হৈছে। বাৰ বছৰ হৈ গ'ল। এই প্ৰজেক্টটো আছিল ৩ বছৰৰ ভিতৰত সম্পূৰ্ণ কৰিব। মাননীয় মন্ত্ৰী নতুন। এটা নতুন উৎসাহেৰে কাম কৰিছে। গতিকে মই আশা ৰাখিছো আৰু মই আপোনাৰ জৰিয়তে অনুৰোধ জনাইছো যে তেওঁ কামটো যাতে তৎক্ষণাত দ্রুত গতিৰে কৰা হয় আৰু দ্বিতীয় এটা সমস্যা হৈছে চাৰ, যে যিবিলাক পাইপ বহুৱায়, এতিয়া গড়চুকৰ পৰা ফটাশিললৈ নতুন ৰাস্তা কৰা হৈছে। সেই ৰাস্তাৰে এতিয়া পাইপ নিব। পাইপ নিয়ক। কিন্তু ৰাস্তাটো নিৰ্মাণৰ ক্ষেত্ৰত গেমনে একো কাম নকৰে আৰু যাৰ ফলত ৰাইজে ৰাস্তাটো কাটিব দিয়া নাই। এতিয়া যদি গেমনে তেনেধৰণে পাইপ বহায়, তেতিয়াহ'লে তেওঁলোকে যিখিনি অঞ্চলত ৰাস্তাটো ভাঙিব সেই ৰস্তাটো মেৰামতি কৰাৰ দায়িত্ব তেওঁলোকৰ আছে নে নাই? এই কথাটো মই আপোনাৰ জৰিয়তে মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো।

**মানননীয় অধ্যক্ষ ঃ** মাননীয় মন্ত্ৰী ডাঙৰীয়া।

**শ্ৰীঅশোক সিংহল (মন্ত্ৰী, গুৱাহাটী উন্নয়ন, নগৰ উন্নয়ন ইত্যাদি)ঃ** মাননীয় অধ্যক্ষ মহোদয়, আগতে ব্যৱস্থাটো নাছিল। আমি সিদ্ধান্ত লৈছো যে, যিবিলাক অঞ্চলত ভাল ৰাস্তা আছে তাত যদি পাইপ লে কৰা হয় তাৰ পাছত ৰিপেয়াৰিঙৰ কামখিনিও আমি কৰি দিম বুলি এটা প্ৰস্তাৱ লৈছো।

**মানননীয় অধ্যক্ষ ঃ** ঠিক আছে। শ্ৰী আমিনুল ইছলাম।

**শ্ৰী আমিনুল ইছলাম (মানকাচাৰ)ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমি লক্ষ্য কৰিছো যে পশ্চিম গুৱাহাটী, শদিলাপুৰ, জালুকবাৰীৰ এটা অংশকে লৈ গাড়ীগাঁও, বিদ্যানগৰৰ এটা বৃহৎ অঞ্চল গুৱাহাটীৰ এক নং ৱাৰ্ড আজিলৈকে তাত পানীৰ ব্যৱস্থা নাই। কোনো নলাৰ ব্যৱস্থা তাত হৈ উঠা নাই। বৃহত্তৰ গাড়ীগাঁও অঞ্চলত ইলেকট্ৰিচিটিৰ সমস্যা আছে। পানী দুই ধৰণৰ। এটাতো খোৱা পানীৰ ব্যৱস্থা নাই, এটা খোৱা পানী ওলাই যোৱাৰ ব্যৱস্থা নাই। বৰষুণৰ পানী ওলাই যোৱাৰ ব্যৱস্থা নাই লকিং হৈ আছে আৰু খোৱা পানীৰ ব্যৱস্থা আজিলৈকে হোৱা নাই। আৰু তাত জাবৰ নিষ্কাষণ কৰিব পৰা বা ল'ব পৰা জি এম চিৰ পৰা আজিলৈকো কোনোধৰণৰ ব্যৱস্থা হোৱা নাই। মই ভাবো, এটা বৃহত্তৰ অঞ্চল গাড়ীগাঁও, শদিলাপুৰ আমাৰ খানামুখ, বিদ্যানগৰ এটা বৃহত্তৰ অঞ্চল এক নং ৱাৰ্ডৰ ভিতৰত অন্তৰ্গত, এই ৱাৰ্ডটো কিন্তু এইবিলাক সুবিধাৰ পৰা বঞ্চিত হৈ আছে। মাননীয় অধ্যক্ষ মহোদয়, এইটোৰ এটা ব্যৱস্থা সোনকালে কৰিব লাগে।

**শ্ৰীঅশোক সিংঘল (মন্ত্ৰী, গুৱাহাটী উন্নয়ন, নগৰ উন্নয়ন ইত্যাদি)ঃ** মাননীয় অধ্যক্ষ মহোদয়, সন্মানীয় সদস্যই যিটো কথা ক'লে সঁচাকে গুৰুত্বপূৰ্ণ আৰু নগৰ অঞ্চলত solid best management, liquid best management যদি ভাল নাথাকে নগৰৰ অৱস্থাটো খুব বেয়া হৈ যায়, দেখাত বেয়া লাগে। সেই কাৰণে আমি সিদ্ধান্ত লৈছো যে, নগৰ উন্নয়ন বিভাগৰ তৰফৰ পৰা অসমৰ যিমান মিউনিচিপালিটি আছে, সকলোতে অহা এবছৰৰ ভিতৰত solid best management ৰ এটা ধুনীয়া প্ৰকল্প প্ৰত্যেকটো মিউনিচিপালিটিত কেনেকৈ আমি স্থাপন কৰিব পাৰো liquid best management যিটোৰ জৰিয়তে কৃত্ৰিম বানপানী হয় তাক কেনেকৈ আমি এটা বৈজ্ঞানিক ভিত্তিত ঠিক কৰি ল'ব পাৰো আৰু লগতে খোৱা পানীৰ ব্যৱস্থা বা টাউনত যিটো minimum basic requirement যাক কোৱা হয় যে জাবৰ নিস্পত্তি, কৃত্ৰিম বানপানী, নলা, ৰাষ্টা, ফুটপাথ এইবিলাক নিমাৰ্ণৰ কাৰণে আমি আগবাঢ়ি আছো আৰু ইতিমধ্যে মই আপোনাৰ জৰিয়তে সদনক জনাই ভাল পাম যে ইতিমধ্যে মাননীয় মুখ্য মন্ত্ৰীৰ নিৰ্দেশত আমি গুজৰাটত এহমেদাবাদ মিউনিচিপালিটি ভ্ৰমণ কৰিলো, চেন্নাই মিউনিচিপালিটি ভ্ৰমণ কৰিলো আৰু বহুত নতুন নতুন কথা আমি জানিবলৈ পাইছো আৰু এইখিনি কথা যিটো আমাৰ অভিজ্ঞতা হ'ল অহা

দিনবোৰ অসমৰ প্ৰত্যেকটো নগৰত আমি implement কৰাৰ চেষ্টা কৰিম।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। প্ৰশ্ন নং ৮৩।

**শ্ৰী কেশৱ মহন্ত (স্বাস্থ্য মন্ত্ৰী)ঃ** মাননীয় অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত ৰখা হৈছে।

**মাননীয় অধ্যক্ষ ঃ** অসমীয়াত ক'ব। এতিয়াই হোৱা নাই । Interpreter নাই।

**শ্ৰী লৰেঞ্চ ইছলাৰী (পূৱ কোকৰাঝাৰ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, প্ৰশ্নটো বড়োত দিবলৈ দিছে। মই তথাপিও বড়োত কম আৰু অসমীয়াত ইয়াৰ ভাঙনীটো কম। যিহেতু সুযোগ দিয়া হৈছিল আৰু গোটেই বড়ো ৰাইজে আশা কৰি আছিল যে অসম বিধান সভাৰ পৰা বড়ো ভাষাত প্ৰশ্ন সুধিব পৰা আৰম্ভ হ'ব।

**মাননীয় অধ্যক্ষ ঃ** লিখিব পাৰিব। কিন্তু আমাৰ Interpreter ৰ ব্যৱস্থাৰ চেনেলটো হোৱা নাই। নতুন বিল্ডিংত হৈ যাব। ব্যৱস্থাটো কৰি আছে। অকল বড়ো নহয়। বড়ো, অসমীয়া, ইংৰাজী, হিন্দী আৰু বেংগলী এই পাঁচটা ভাষাত পৰৱৰ্তী অধিবেশনত চলিব। সকলোৰে পাঁচটা ভাষাত শুনি থাকিব।

**শ্ৰী লৰেঞ্চ ইছলাৰী (পূৱ কোকৰাঝাৰ)ঃ** অধ্যক্ষ মহোদয়, আপোনাৰ জৰিয়তে মই সন্মানীয় মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো যে কোকৰাঝাৰ মেডিকেল কলেজখনৰ নিৰ্মাণ কাৰ্য্য কেতিয়া সম্পূৰ্ণ হ'ব আৰু ইয়াক কেতিয়া মুকলি কৰা হ'ব? প্ৰশ্নৰ উত্তৰ দিয়া হৈছে যদিও ইয়াৰ specific উত্তৰ অহা নাই।

**শ্ৰী কেশৱ মহন্ত (স্বাস্থ্যমন্ত্ৰী)ঃ** প্ৰথমে মইয়ে কৈ লৈছো-খুলুমবায়।

**শ্ৰী লৰেঞ্চ ইছলাৰী (পূৱ কোকৰাঝাৰ)ঃ** ধন্যবাদ।

**শ্ৰী কেশৱ মহন্ত (স্বাস্থ্যমন্ত্ৰী)ঃ** অধ্যক্ষ মহোদয়, কোকৰাঝাৰ মেডিকেল কলেজৰ ক্ষেত্ৰত ইতিমধ্যে তেখেতৰ প্ৰশ্নৰ উত্তৰত মই কিছু তথ্য দিছো। কোকৰাঝাৰ মেডিকেল কলেজৰ নিৰ্মাণ কাৰ্য্য আৰম্ভ কৰা ২০১৯ চনৰ মাৰ্চ মাহত Work Order দিয়া হৈছিল আৰু তাৰ বাবে ৩৮২ কোটি ৬৯ লাখ টকা ধাৰ্য্য কৰা হৈছিল। এতিয়ালৈকে physically কলেজখনৰ ৪০% কাম সম্পূৰ্ণ হৈছে আৰু তাৰ বাবে আমি financially ৩০% টকা দিছো। প্ৰায় ১১৫ কোটি টকা ইতিমধ্যে দিয়া হৈছে। এইখিনি হৈছে কোকৰাঝাৰ মেডিকেল কলেজৰ অগ্ৰগতিৰ খতিয়ান। কোকৰাঝাৰ মেডিকেল কলেজৰ ক্ষেত্ৰত এটা অসুবিধা হৈ আছিল। গৌৰাংগ নদীখন কলেজৰ একেবাৰে কাষেৰে বৈ যোৱাৰ ফলত নদীখনৰ খহনীয়াই কলেজৰ যথেষ্ট অসুবিধাৰ সৃষ্টি কৰিছিল। এই অসুবিধাখিনি আঁতৰাবলৈ মই জলসম্পদ মন্ত্ৰী হৈ থাকোতে প্ৰায় ৪০কোটি টকাৰ অনুমোদন দি কাম আৰম্ভ কৰিছিলো। বৰ্তমানৰ জলসম্পদ মন্ত্ৰীয়ে গৈ এই কামখিনি চাই আহিছে। গতিকে, কোকৰাঝাৰ মেডিকেল কলেজৰ ক্ষেত্ৰত ২০২২ চনৰ ভিতৰত ইয়াৰ নিৰ্মাণ কাৰ্য্য শেষ কৰি ২০২৩ চনৰ পৰা যাতে পাঠ্যক্ৰম আৰম্ভ কৰিব পৰা যায়, সেই লক্ষ্য স্থিৰ কৰি আমি আগবাঢ়িছো।

**শ্ৰী লৰেঞ্চ ইছলাৰী (পূৱ কোকৰাঝাৰ)ঃ** সন্মানীয় অধ্যক্ষ মহোদয়, মোৰ দ্বিতীয়টো প্ৰশ্ন আছিল যে কোকৰাঝাৰৰ ৰূপনাথ ব্ৰহ্ম অসামৰিক চিকিৎসালয়ত Medicine Specialist, Orthopaedic Specialist নাই। মন্ত্ৰী মহোদয়ে উত্তৰত দিছে যদিও এইখিনিৰ ব্যৱস্থা কেতিয়াৰ পৰা দিয়া হ'ব আপোনাৰ জৰিয়তে জানিব বিচাৰিছো।

**মাননীয় অধ্যক্ষঃ** মন্ত্ৰী ডাঙৰীয়া।

**শ্ৰী কেশৱ মহন্ত (স্বাস্থ্যমন্ত্ৰী)ঃ** মাননীয় অধ্যক্ষ মহোদয়, কোকৰাঝাৰৰ ৰূপনাথ ব্ৰহ্ম অসামৰিক চিকিৎসালয়ত কেইজনমান বিশেষজ্ঞ কম আছে। কিন্তু, তাত ৫ গৰাকী Gynaecologist, ৩

গৰাকী General Surgeon, এগৰাকী Anasthesia Specialist, ৩ গৰাকী Eye Doctor, দুগৰাকী E.N.T Doctor আছে। হয়, তাত Medicine ৰ ডাক্তৰ নাই। তাত Medicine ৰ ডাক্তৰৰ প্ৰয়োজন আছে। তাৰ বাবে আমি কিছু Interview এতিয়া লৈছো আৰু অলপ দিনৰ ভিতৰতে নিযুক্তিও হ'ব। তেতিয়া আমি তাৰ পৰাই কোকৰাঝাৰৰ ৰূপনাথ ব্ৰহ্ম অসামৰিক চিকিৎসালয়ত Medicine ৰ Specialist ৰ অভাৱ পূৰণ কৰাৰ পৰিকল্পনা আছে।

**মাননীয় অধ্যক্ষঃ** Question No-84 । মাননীয় মন্ত্ৰী ।

**শ্ৰী কেশৱ মহন্ত (স্বাস্থ্য মন্ত্ৰী)ঃ** উত্তৰ সদনৰ মজিয়াত ৰখা হৈছে।

**মাননীয় অধ্যক্ষঃ** Supplementary.

**শ্ৰী পৰমানন্দ ৰাজবংশী (ছিপাঝাৰ) ঃ** সন্মানীয় অধ্যক্ষ মহোদয় আৰু সদন। আজি যি চাৰিটা প্ৰশ্ন মই কৰিছিলো, সেই সন্দৰ্ভত উত্তৰ মই এইমাত্ৰ পাইছো। সেইয়া মই যথাযথ বুলিয়েই ভাৰিছো। কিন্তু অধ্যক্ষ মহোদয়, এই সন্দৰ্ভত মই এটা বিশেষ প্ৰশ্ন, পৰামৰ্শ যি বুলিয়েই নাভাৱক কিয়, ক'ব বিচাৰিছো। এই কাৰণেই ক'ব বিচাৰিছো কিয়নো মই উত্থাপন কৰা প্ৰশ্নকেইটাৰ লগত মোৰ জন্মস্থান ছিপাঝাৰ সমষ্টিৰ পাতি দৰং গাওঁ জড়িত হৈ আছে । মাননীয় মন্ত্ৰী মহোদয়ে ইয়াত উল্লেখ কৰিছে যে দৰং জিলাৰ আটাইতকৈ বেছি সংখ্যক কেন্সাৰ ৰোগী থকা গাওঁ সমূহৰ ভিতৰত এক নম্বৰ গাওঁখনেই হৈছে পাতি দৰং, যিখন মোৰ জন্মস্থান। আজিৰ পৰা ১৫ বছৰ আগতে এই কথাখিনি জানিয়েই ডঃ মামণি ৰয়চম গোস্বামী বাইদেউয়ে সেই স্থানলৈ গৈ তাত এখন কেন্সাৰ হাস্পতাল পাতিবৰ বাবে যি উদ্যোগ গ্ৰহণ কৰিছিল, সেই উদ্যোগ ফলৱতী নোহোৱাত তেখেতে নিজৰ জন্মস্থানতেই এখন হাস্পতাল পাতিলে। ঠিকেই আছে। কিন্তু, অ.গ.প. মন্ত্ৰীসভাৰ সেই সময়ৰ ছামসিং হাংছেদেৱে আমাৰ বিশেষ অনুৰোধত পাতি দৰং গাঁৱৰ নিচেই কাষতে থকা দেওমৰনৈত এখন হাস্পতাল পাতিলে। অধ্যক্ষ মহোদয়, মই এই কথাটোকে ক'ব বিচাৰিছো যে, এই হাস্পতালখন পাতিলে যদিও তাত কেন্সাৰ ৰোগী সকলৰ চিকিৎসাৰ বাবে বিশেষ ব্যৱস্থা এটা যদি থাকে, তেন্তে অতি ভাল হ'ব, কাৰণ ছিপাঝাৰ সমষ্টিৰ ভিতৰতে........(Interruption)....

**মাননীয় অধ্যক্ষঃ** হ'ব, আপুনি এইখিনি Supplementary ত ক'ব পাৰিব। প্ৰথমে মন্ত্ৰীয়ে উত্তৰটো দি লওঁক। মন্ত্ৰী ডাঙৰীয়া।

**শ্ৰী কেশৱ মহন্ত (স্বাস্থ্যমন্ত্ৰী)ঃ** মাননীয় অধ্যক্ষ মহোদয়, তেখেতে দেওমৰনৈ গাঁৱৰ ৩০ খন বিচনাযুক্ত যিখন হাস্পতালৰ কথা উল্লেখ কৰিছে, তাত কেন্সাৰ চিকিৎসাৰ ব্যৱস্থা কৰাৰ কথা কৈছে। অধ্যক্ষ মহোদয়ে অনুমতি দিলে, কেন্সাৰৰ ক্ষেত্ৰত ৰাজ্য চৰকাৰে গ্ৰহণ কৰা কিছু কথা মই ক'ব বিচাৰো।

**মাননীয় অধ্যক্ষঃ** বেছি দীঘলীয়া নকৰি মূল কথাখিনি ক'ব।

**শ্ৰী কেশৱ মহন্ত (স্বাস্থ্যমন্ত্ৰী)ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই একেবাৰে to the point কথাখিনি ক'ম। মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়া যেতিয়া স্বাস্থ্যমন্ত্ৰী হৈ আছিল, সেই সময়তে আমাৰ অসমত কেন্সাৰৰ ক্ষেত্ৰত এক বিশেষ ভূমিকা গ্ৰহণ কৰিছিল । তেওঁ ২০১৮ চনৰ ৩ ফেব্ৰুৱাৰী তাৰিখে Assam Cancer Care Foundation হিচাপে TATA Trust ৰ সৈতে এটা MoU কৰিছিল । তাৰ আৰম্ভণিটো মই চমুকৈ কৈছো। MoU মৰ্মে, অসমত নতুনকৈ এতিয়া আমি তিনিটা পৰ্যায়ত কেন্সাৰ ইনষ্টিটিউট গঢ়িবলৈ লৈছো। আগৰ কেন্সাৰ ইনষ্টিটিউট সমূহ যেনে- বি. বৰুৱা কেন্সাৰ ইনষ্টিটিউট, শিলচৰ কেন্সাৰ ইনষ্টিটিউটৰ কথা মই নকওঁ। এইখিনি কথা সকলোৱে জানে। প্ৰথম পৰ্যায়ত, State Cancer Institute খন গুৱাহাটীৰ Superspeciality Hospi-

tal ৰ কাষতে নিৰ্মাণ কৰি থকা হৈছে। বাকী সকলো সুবিধাৰ লগতে তাত Research আৰু Education ও থাকিব। দ্বিতীয় পৰ্যায়ত, ডিব্ৰুগড়, বৰপেটা, শিলচৰ, ডিফু আৰু তৃতীয় পৰ্যায়ত তেজপুৰ, দৰং, লখিমপুৰ, যোৰহাট আৰু কোকৰাঝাৰ- মুঠ ১০টা স্থানত আমাৰ কেন্সাৰ হাস্পাতাল নিৰ্মাণ হৈ আছে। কোনোবাখন হাস্পাতাল হয়তো আমি দুই-তিনি মাহৰ পিছতেই সম্পূৰ্ণ কৰিব পাৰিম। এনেদৰে আমি সকলোখিনি যদি চাওঁ, এবছৰৰ ভিতৰত এই গোটেই ১০ খন হাস্পাতালৰ নিৰ্মাণ সম্পূৰ্ণ হ'ব। ডিফুৰ হাস্পাতালখন নিৰ্মাণ কৰাত অলপ পলম হৈছে কাৰণ তাত থকা অসামৰিক চিকিৎসালয়খন ভাঙি কাম কৰিবলগীয়া হৈছে। গতিকে, ইয়াৰ কাম এতিয়াহে আৰম্ভ হৈছে। ধৰি লওঁক, ৯খন হাস্পাতালৰ কাম এবছৰৰ ভিতৰত সম্পূৰ্ণ হ'ব। গতিকে, কেন্সাৰ হাস্পতালৰ ক্ষেত্ৰত এইখিনি উদ্যোগ লোৱা হৈছে। ৩০ খন বিচনাযুক্ত চিকিৎসালয়ৰ ক্ষেত্ৰত কেন্সাৰ স্কেনিঙৰ কথা এতিয়ালৈকে ভৰা হোৱা নাই। প্ৰায় দৰঙতে সেইখন এখন হ'ব। গতিকে, দৰঙত হোৱাখন ছিপাঝাৰেও পাব, কাৰণ তাৰ পৰা ই বেছি দূৰ নহয়। গতিকে আপোনালোকে এখন কেন্সাৰ হাস্পাতাল পাব।

**মাননীয় অধ্যক্ষঃ** ধন্যবাদ। কমলাক্ষ দে' পুৰকায়স্থ।

**শ্ৰী পৰমানন্দ ৰাজবংশী (ছিপাঝাৰ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, এটা গুৰুত্বপূৰ্ণ বিষয় যে কোচ ৰজা ৰঘুদেৱ নাৰায়ণে প্ৰনালীবদ্ধভাৱে সজোৱা পাতি দৰং গাওঁ বোধ হয় বিশ্বৰ ভিতৰতে ১ নম্বৰ গাওঁ হ'ব কেঞ্চাৰ ৰোগীৰ গাওঁ হিচাপে। মই সেইকাৰণে সদনৰ দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছো যে সমগ্ৰ ছিপাঝাৰ অঞ্চলৰ লগতে সমগ্ৰ দৰং জিলাত কেঞ্চাৰ ৰোগৰ অন্যতম কাৰণ মন্ত্ৰী মহোদয়ে যিকেইটা কাৰক দিছে সেই কেইটা নহয়। অন্যতম কাৰক হৈছে আমাৰ পানীযোগান ব্যৱস্থা। এই কাৰক কেইটাৰ মাজত অন্যতম কাৰক হৈছে আৰ্ছেনিকযুক্ত পানী সেৱন কৰা। আমাৰ গাওঁ আৰু দৰং জিলাত এই বেমাৰ উদ্বেগজনকভাৱে বাঢ়ি আছে। মহোদয়, মই কথাটো ক'ব বিচাৰিছো যে মোৰ প্ৰশ্নটো এইটো বিষয়ৰ নহ'ব পাৰে তথাপিও আমাৰ সকলোৰে কাৰণে এইটো এটা গুৰুত্বপূৰ্ণ বিষয়। জনস্বাস্থ্য কাৰিকৰী বিভাগে প্ৰধান মন্ত্ৰীৰ জলজীৱন আঁচনিৰ জৰিয়তে যদি নলী-নাদেৰে পানী যোগানৰ ব্যৱস্থাটো কৰে তেতিয়া ভাল হ'ব। গতিকে এই বিষয়টো চাব লাগে।

**মাননীয় অধ্যক্ষ ঃ** জনস্বাস্থ্য কাৰিকৰী বিভাগৰ মন্ত্ৰী ডাঙৰীয়া সদনত উপস্থিত আছে, তেখেতে উত্তৰ দিব। আমাৰ পুৰণা দৰং জিলাত সচাঁকৈয়ে কেঞ্চাৰে এনেকুৱা ৰূপ লৈছে যে এতিয়া কেঞ্চাৰ ৰোগীৰ সংখ্যা ক'ভিডতকৈয়ো বেছি। মোৰ সমষ্টি পানেৰীত বৰ্তমান ১০০ জনতকৈ বেছি active cancer patient আছে। প্ৰকৃত তথ্যটো তাতোকৈ বেছি হ'ব ছাগে। অকল চৰকাৰৰ পৰা সাহাৰ্য্য বিচাৰি দৰ্খাস্থ দিয়া ৰোগীৰ সংখ্যা ১০০ জনৰ ওচৰত। দৰং জিলাৰ লগতে ওদালগুৰি জিলাতো ই এক ভয়াবহ ৰূপ ধাৰণ কৰিছে। গতিকে এই বিষয়ত এবাৰ survey কৰি কিহৰ কাৰণে ই ইমান ভয়াবহ ৰূপ ধাৰণ কৰিছে সেইটো যদি উলিয়াব পৰা যায় তেতিয়া সেইটো ৰোধ কৰাৰ কাৰণে কিবা ব্যৱস্থা ল'ব পৰা যাব।

**শ্ৰী কেশৱ মহন্ত (স্বাস্থ্য মন্ত্ৰী)ঃ** মাননীয় অধ্যক্ষ মহোদয়, আপুনি যিটো পৰামৰ্শ আগবঢ়ালে লগতে সন্মানীয় সদস্য ৰাজবংশী ডাঙৰীয়াইও যিটো পৰামৰ্শ দিছে, সেইটোৰ ওপৰত দৰং আৰু ওদালগুৰি জিলাত যাতে এক বিশেষ অধ্যয়ন কৰাৰ ক্ষেত্ৰত, research আৰু survey দুয়োটাৰ ক্ষেত্ৰতে পৰামৰ্শ দিছে এই ক্ষেত্ৰত আমি ব্যৱস্থা লম।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া শ্ৰী কমলেক্ষ্য দে পুৰকায়স্থ।

**শ্ৰী কমলাক্ষ দে পুৰকায়স্থ (উত্তৰ কৰিমগঞ্জ)ঃ** মাননীয় অধ্যক্ষ মহোদয়, ইয়াত দৰং আৰু

ওদালগুৰিৰ কথা কোৱা হৈছে। কামৰূপ মেট্ৰ'তো ই এক ভয়াবহ ৰূপ লৈছে। মোৰ যিটো প্ৰশ্ন আছিল যে আমাৰ উত্তৰ-পূৱলৈ যদি আমি চাওঁ ২০১২ ৰ পৰা ২০১৬ লৈ highest আক্ৰান্ত হৈছে। গতিকে এইটো এটা অতি গুৰুত্বপূৰ্ণ প্ৰশ্ন। লগতে মোৰ ক'বলগা আছিলে যে ২০১৩ চনত এটা আইন অনা হৈছিল। The Assam Health (Prohibition of Manufacturing, Advertisement, Trade, Storage, Distribution, Sale and Consumption of Zarda,Gutkha,Panmasala etc.Containing Tobacco and Nicotine)Act, 2013. বিধানসভাত এইখন বিল অনা হৈছিল। ইয়াৰে কিছুমান banned হৈছে। কিন্তু বহুখিনি এতিয়াও দোকানবিলাকত চলি আছে। মই ভাৱো কেঞ্চাৰৰ অন্যতম কাৰণো হৈছে এই Tobacco আৰু Nicotine. অধ্যক্ষ মহোদয়, আপুনি নিশ্চয় জানে যে আমাৰ বৰাকভেলীৰ শিলচৰ মেডিকেল কলেজৰ এজন কেঞ্চাৰৰ চিকিৎসকে পদ্মভূষণ পুৰস্কাৰ পাইছে। আমাৰ বৰাকভেলীতো এই ৰোগে ভয়াবহৰূপ লৈছে। আমাৰ এইখন মেডিকেল কলেজৰ বাহিৰে বেলেগ কোনো institution নাই। গতিকে শিলচৰ মেডিকেল কলেজৰ কাৰণে আমাক বছৰি এটা Grants -in- aid দি এটা ভাল ব্যৱস্থা কৰিব লাগে।

**মাননীয় অধ্যক্ষ ঃ** আপুনি এইখিনিকে ক'বলৈ ইমান সময় ললে। মন্ত্ৰী মহোদয়।

**শ্ৰী কেশৱ মহন্ত (স্বাস্থ্য মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, শিলচৰত এখন কেঞ্চাৰ চিকিৎসালয় আছে আৰু ইয়াৰ উপৰিও শিলচৰ মেডিকেল কলেজ আছে আৰু আমি নতুনকৈ আন এখন চিকিৎসালয়ৰ কাম তাত আৰম্ভ কৰিছো যিখন অতি সোনকালে হ'ব। তাত পুৰণা মেডিকেল কলেজখন আছেই। কিছুদিন আগতে মই যাব পৰা নাই কিন্তু প্ৰধান সচিব ডাঙৰীয়া তালৈ গৈছিল আৰু তাত চাই চিতি যিখিনি অসুবিধা দেখিলে সেইখিনি আমি ঠিক কৰিবলৈ চেষ্টা কৰি আছো। ইয়াৰ উপৰিও তাত এখন কেঞ্চাৰ Institute ৰ কামো আৰম্ভ হৈছে। সেইখনো অতি সোনকালে হ'ব। কেঞ্চাৰৰ কাৰণে আমৰ যিটো Tobacco control programme আছে সেইটো আমি কৰি আছো আৰু এই ক্ষেত্ৰত যদি আৰু বেছি সক্ৰিয় ব্যৱস্থা ল'ব লাগে আমি তেতিয়া স্বাস্থ্য বি ভাগৰ দ্বাৰা নহয় অন্য বিভাগৰ প্ৰয়োজন হ'ব। মই এইটো আলোচনা কৰিম।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। এতিয়া শ্ৰীমতী সুমন হৰিপ্ৰয়া।

**শ্ৰীমতী সুমন হৰিপ্ৰয়া (হাজো) ঃ** মাননীয় অধ্যক্ষ মহোদয়, Tobacco, Panmasala বা nicotine সেৱনেই কেঞ্চাৰ ৰোগৰ এক মাত্ৰ কাৰণ নহয়। মই ভাৱো পানীটো হৈছে মুখ্য কাৰণ। যোৱাকালি আমি জনস্বাস্থ্য কাৰিকৰী বিভাগৰ মন্ত্ৰী ডাঙৰীয়াৰ লগত আলোচনা কৰিছিলো মৌখিক প্ৰশ্নৰ উত্তৰত। জলজীৱন মিছনৰ Water Treatment Plant খিনি বহালেও কেঞ্চাৰৰ ক্ষেত্ৰত সহায় হ'ব। মই এতিয়া এটা বেলেগ কথা ক'বলৈ ওলাইছো। আমাৰ ফটাশিল আমবাৰীত এঘৰত প্ৰায় ২-৩ জনকৈ কেঞ্চাৰ ৰোগী আছে। গোটেই পশ্চিম গুৱাহাটী Urban Area ত ঘৰে-ঘৰে আচৰিত ধৰণে কেঞ্চাৰ ৰোগী আছে। এই অঞ্চলত সৰু-সুৰা বহু un registered industry আছে। এই উদ্যোগসমূহ ইয়াৰ পৰা shift কৰিলে ভাল হয়। এই উদ্যোগ সমূহৰ পৰা কেমিকেলসমূহ ওলাই গৈ পানীত পৰেগৈ আৰু তেনেকৈয়ে সেই পানী সেৱন কৰি মানুহৰ কেঞ্চাৰ ৰোগ হয়। মোৰ যিটো একমাত্ৰ ভাইটি কেঞ্চাৰত ঢুকাইছিল সি Tobacco বা zarda একো নাখাইছিল। আমি বহুত research কৰি গম পাইছো যে পানীত বেলেগ ধৰণৰ কেমিকেল কম্পোনেন্ট পোৱা যায়। গতিকে এই উদ্যোগসমূহ ইয়াৰ পৰা shift কৰিবৰ কাৰণে Health Ministry য়ে কিবা ব্যৱস্থা ল'ব নেকি?

**মাননীয় অধ্যক্ষ ঃ** মাননীয় মন্ত্ৰী ।

**শ্ৰী কেশৱ মহন্ত (স্বাস্থ্য মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আজি কিছু পৰামৰ্শ আহিছে। ক'ত ক'ত ইয়াৰ উৎস হ'ব পাৰে সেয়া কিছু আমি অনুমান কৰিব পাৰিছো। যিখিনি পৰামৰ্শ আহিছে এইখিনি আমি নিশ্চয় বিবেচনা কৰিম আৰু এইক্ষেত্ৰত Research আৰু Survey কৰিম।

**শ্ৰী হেমাঙ্গ ঠাকুৰীয়া (পলাশবাৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মোৰো ক'বলগা আছে।

**মাননীয় অধ্যক্ষ ঃ** একেই কথা চাগে।

**শ্ৰী হেমাঙ্গ ঠাকুৰীয়া (পলাশবাৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, একেই কিন্তু জৰুৰী কথা। অকল দৰং জিলাতে নহয়, দক্ষিণ কামৰূপতো বহু কেঞ্চাৰ ৰোগী আছে। ইয়াত Tobacco ৰ কথা কোৱা হৈছে। কিন্তু বহু মহিলাও এই ৰোগৰ দ্বাৰা আক্ৰান্ত হৈছে। মোৰ সমষ্টিতো প্ৰায় ১২০ খন দৰ্খাস্ত মোৰ ওচৰত আহিছে। Source টো অকল পানীয়েই নহয়, খাদ্যটোও চাব লাগিব। সন্দেহ কৰা গৈছে বহু খাদ্য সামগ্ৰীত আজিকালি কেমিকেল ব্যৱহাৰ কৰা হয়। তাৰ পৰাও হয়তো কেঞ্চাৰ বিয়পিব পাৰে। এই ক্ষেত্ৰত যাতে চৰকাৰে পদক্ষেপ লয়।

**মাননীয় অধ্যক্ষ ঃ** ইতিমধ্যে মন্ত্ৰী ডাঙৰীয়াই উত্তৰ দিছে। এই কাৰণসমূহ জানিলেতো কেতিয়াবাই ইয়াৰ ঔষধ ওলালে হয়। মন্ত্ৰী ডাঙৰীয়া।

**শ্ৰী কেশৱ মহন্ত (স্বাস্থ্য মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমি সাধাৰণতে যিখিনি জানো বা অনুমান কৰো সেই সকলোখিনি কথাই আজি ইয়াত স্থান পাইছে। আমাৰ এটা Food Safety Department আছে স্বাস্থ্য বিভাগৰ লগত। কিছুদিন আগতে মই তালৈ গৈ সেইটো আৰু অলপ ঠিক কৰিব বিচাৰিছো। আশা কৰিছো এই ক্ষেত্ৰত খাদ্য সামগ্ৰীত যাতে, শৰীৰৰ প্ৰতি ক্ষতি কৰা খাদ্য সামগ্ৰী বজাৰত নাহে সেই ব্যৱস্থাৰ কাৰণে আমাৰ আৰু এটা প্ৰস্তুতি আছে। গতিকে আমি আশা কৰিছো এইখিনি আমি অতি সোনকালে কৰিব পাৰিম।

**শ্ৰী পিযুষ হাজৰিকা (মন্ত্ৰী) ঃ** মাননীয় বিধায়ক শ্ৰী কমলাক্ষ দে' পুৰকায়স্থ ডাঙৰীয়াই ডাঃ ৰবিক আনন্দ বুলি এজন ব্যক্তিৰ কথা কৈছিলে। তেখেতে শিলচৰত এখন কেঞ্চাৰ হস্পিতাল চলায়। তেখেতে যাতে সদনৰ পৰা অলপ সন্মান পায় সেইকাৰণেহে মই কথাখিনি ক'ব বিচাৰিছো। সেই ব্যক্তিজনে তামিলনাডুৰ পৰা গুছি আহি অকল দুখীয়া মানুহক চিকিৎসা কৰিবৰ কাৰণে শিলচৰত থাকি লৈ হস্পিতাল বনাইছে। আজিৰ পৰা দুবছৰ আগতে কেন্দ্ৰীয় চৰকাৰে তেখেতক পদ্মভূষণ দিয়াৰো ব্যৱস্থা কৰিছিল। মই সকলোৱে জানিবৰ কাৰণে এই কথাটো ক'লো আৰু ভৱিষ্যতে যদি তেখেতৰ হস্পিতালখনৰ বাবে কিবা কৰিব লাগে তাৰ কাৰণে কিবা ব্যৱস্থা ল'বৰ কাৰণে মই স্বাস্থ্যমন্ত্ৰী ডাঙৰীয়াক অনুৰোধ জনাইছো। ধন্যবাদ।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া প্ৰশ্ন নং ৮৫। মন্ত্ৰী মহোদয়।

**শ্ৰী কেশৱ মহন্ত (স্বাস্থ্য মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত ৰখা হৈছে।

**শ্ৰী নিজাম উদ্দিন চৌধুৰী (আলগাপুৰ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ৰ পৰা আমি উত্তৰ পাইছো কিন্তু উত্তৰৰ ওপৰত সন্তুষ্ট নহয়। উত্তৰত কোৱা হৈছে যে কালিনগৰ হস্পিতালৰ নতুন ভৱনটোৰ ৯০ শতাংশ কাম হৈছে বুলি কোৱা হৈছে কিন্তু তাত ৭০ শতাংশ কামহে হৈছে। আটাইতকৈ ডাঙৰ সমস্যাটো হ'ল ২০১৪ চনৰ পৰা ২০২১ চনলৈকে এই ৭ বছৰৰ হৈ গ'ল তথাপি হস্পিতালখনৰ নতুন ভৱনটো হোৱা নাই। হস্পিতালৰ ক্ষেত্ৰত যিহেতু বহুতো অসুবিধা আছে সেয়ে মই স্বাস্থ্যমন্ত্ৰী ডাঙৰীয়াক এই হস্পিতালখনৰ কাম সোনকালে সম্পূৰ্ণ কৰিবৰ কাৰণে আৰু যিহেতু কামটো সিমান ভাল হোৱা নাই সেয়ে এইটো তদন্ত কৰিবৰ কাৰণে অনুৰোধ জনাইছো।

**শ্ৰী কেশৱ মহন্ত (স্বাস্থ্য মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, তেখেতে আলগাপুৰ বিধান সভা সমষ্টিৰ অন্তৰ্গত কালিনগৰ পি এইচ চি খন চি এইচ চি লৈ উন্নীতকৰণৰ ক্ষেত্ৰত কামৰ অগ্ৰগতিৰ বিষয়ে সুধিছে আৰু মই যিখিনি তথ্য পাইছো সেই তথ্যমতে ৯০ শতাংশ কাম সম্পূৰ্ণ হৈছে। মই সেইমতেই উত্তৰটো দিছো কিন্তু ইয়াত যদি তেখেতৰ কিবা সন্দেহ আছে আজিয়েই মই বিষয়াক নিৰ্দ্দেশ দিম যে তাত চৰজমিন কৰি মোক ফটোসহ ৰিপোৰ্ট দিব লাগিব। যদি মোক সদনত মিচলিদ কৰিছে তেনে কোনো বিষয়া মোৰ পৰা সাৰি যাব নোৱাৰিব। আপুনি যদি মোক সঁচা কথা কৈছে আজিৰ ভিতৰত মই সদনৰ পৰা ওলাই যোৱাৰ পিছত তেখেতক কম আজি সূৰ্য্য অস্ত যোৱাৰ আগতেই তেওঁৰ ৰিপোৰ্ট ফটোসহ পাব লাগিব আৰু তাৰপিছত মই আপোনাক উত্তৰ দিম।

**শ্ৰী নিজাম উদ্দিন চৌধুৰী (আলগাপুৰ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মোৰ সমষ্টিত যিমান উপ-স্বাস্থ্যকেন্দ্ৰ আছে সেইবিলাক অত্যন্ত শোচনীয় অৱস্থাত আছে আৰু যিবিলাক ভালে আছে তাত ডাক্তৰ, নাৰ্চ আদি নাথায়। গতিকে এই ভালে থকা উপ-স্বাস্থ্যকেন্দ্ৰ সমূহত ডাক্তৰ, নাৰ্চ আদি দিব লাগে আৰু বিকল হৈ থকা উপ-স্বাস্থ্যকেন্দ্ৰ সমূহ পুনৰ কাৰ্য্যক্ষম কৰিব লাগে লগতে মোৰ সমষ্টিৰ উত্তৰ নাৰায়ণপুৰ হস্পিতালত ডাক্তৰ, নাৰ্চ থাকিবৰ কাৰণে চৰকাৰী বাসভৱনৰ সুবিধা নাই। তাত মই যাওঁতে ডাক্তৰে নিজেই কৈছে যে তাত থাকিবৰ কাৰণে কোনো ধৰণৰ সুবিধা নাই। গতিকে মই আপোনাৰ জৰিয়তে এই বিষয়ে মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো।

**শ্ৰী কেশৱ মহন্ত (স্বাস্থ্য মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, তেখেতৰ গোটেই সমষ্টিটোতে ৩৪ খন উপ-স্বাস্থ্যকেন্দ্ৰ আছে। এই ৩৪ খন উপ-স্বাস্থ্যকেন্দ্ৰৰ কিছু সংখ্যকত আমি কাম কৰিবলৈ লৈছো। আপোনাক মই জনাই থওঁ যে উপ-স্বাস্থ্যকেন্দ্ৰ সমূহ Health and Wellness Centre লৈ কিছু উন্নত কৰিবলৈ লৈছো আৰু ইয়াত পৰ্য্যায়ক্ৰমে প্ৰত্যেকখন উপ-স্বাস্থ্যকেন্দ্ৰকেই অন্তৰ্ভুক্ত কৰিবলৈ কৈছো। আজি মই তালিকাখন অনা নাই কিন্তু আপোনাৰ সমষ্টিৰো কেইখন মান উপ-স্বাস্থ্যকেন্দ্ৰ ইয়াত অন্তৰ্ভুক্ত হ'ব। উন্নীত হোৱাৰ লগে লগে আমি তাত অন্যান্য সা-সুবিধা সমূহ দিব পাৰিম আৰু কৰ'বাত যদি ডাক্তৰ, নাৰ্চ কম আছে তেতিয়াহ'লে যিহেতু এ এন এম নাৰ্চৰ ইণ্টাৰভিউ হৈ আছে আমি তাত নিযুক্তি দিব পাৰিম তেতিয়া কিছু কিছু পদ পূৰণ হ'ব।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া চিদ্দিক আহমেদ।

**শ্ৰী চিদ্দিক আহমেদ(দক্ষিণ কৰিমগঞ্জ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আলগাপুৰ পি এইচ চি ৰ কথা কোৱা হৈছে লগতে আমাৰ বৰাক ভেলীৰ বালিয়াত এটা CM Special Package তাত PHC under annual plan 2013-14, Package no. CHC-7 এই বিষয়ত যি প্ৰশ্ন দিছিলো তাত উত্তৰ আহিছে কিন্তু বালিয়াত বেলেগ এটা চাব-চেণ্টাৰৰ কাম চলি আছে আৰু তাত ৭০ শতাংশ কাম হোৱা বুলি কোৱাটো হয়। কিন্তু বেলেগ এখন হস্পিতাল আছে তাত গিৰিৰাজ আৰু ভট্টাচাৰ্য্য বুলি দুজন ঠিকাদাৰে কাম ও পাইছে। তাত মাত্ৰ ১৮-২০ লাখ টকাৰ কাম হৈছে য'ত নেকি প্ৰায় ৩ কোটি ২০ লাখ টকাৰ কাম আছিলে কিন্তু বাকীখিনি হোৱা নাই। বিভাগীয় বিষয়া সকলে হয়তো ৰিপোৰ্টটো চোৱাই নাই এইটো বেলেগ এখন হস্পিতাল বালিয়া চাব-চেণ্টাৰত হয়তো দি দিছে। গতিকে মই মন্ত্ৰী মহোদয়ক জনাব বিচাৰিছো যে আপুনি বিভাগৰ পৰা ৰিপোৰ্টটো আনিলে ভাল হয়।

**শ্ৰী কেশৱ মহন্ত (স্বাস্থ্য মন্ত্ৰী)ঃ** মাননীয় অধ্যক্ষ মহোদয়, তেখেতৰ আজি আৰু এটা প্ৰশ্ন আছিল। প্ৰশ্নটো পিছলৈ আছে যদিও উত্তৰ গৈছে। তেখেতৰ উত্তৰটো মোক ব্যক্তিগত ভাৱেও কৈছে। আমি জনা তথ্যমতে সেইটো মুখ্যমন্ত্ৰীৰ পেকেজৰ ভিতৰত নহয় বেলেগৰ এটা শিতানৰ অৰ্থ

ব্যয়েৰে হৈছে। য'ৰ পৰাই নহওঁক কিন্তু কামটো যদি কিছু লেহেম হৈছে এইক্ষেত্ৰত আমি যি ব্যৱস্থা ল'ব লাগে লম।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া প্ৰশ্ন নং ৮৬। মন্ত্ৰী মহোদয়।

**শ্ৰী কেশৱ মহন্ত (স্বাস্থ্য মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত দিয়া আছে।

**শ্ৰী দেবব্ৰত শইকীয়া (বিৰোধী দলৰ দলপতি) ঃ** মাননীয় অধ্যক্ষ মহোদয়, স্বাস্থ্যমন্ত্ৰী ডাঙৰীয়াক ধন্যবাদ জনাইছো। ক'ভিড সম্পৰ্কীয় তথ্যখিনি শুদ্ধভাৱে বিধান সভাত দাখিল কৰাৰ বাবে। ক'ভিডৰ প্ৰতিষেধক ল'লে ৯০ শতাংশলৈকে ৰিক'ভাৰ হয় বুলি কৈছে সেইবাবে এইকেইদিন অসমত যথেষ্ট ভিৰ হৈছে। কিন্তু ইয়াত যিটো কথা কোৱা হ'ল আমি দেখিছো যে মাজতে প্ৰতিষেধকৰ কাৰণে এটা বিশেষ অভিযান চলাইছিল তেতিয়াও কিন্তু ৩ লাখকৈ দৈনিক নহ'ল। জুন মাহত ৩ হাজাৰ মান ভেকচিন চেণ্টাৰ খুলিম বুলি চৰকাৰৰ ফালৰ পৰা কোৱা হৈছিল। কিন্তু যদি টিকা নাথাকে তেতিয়া বহুত মানুহ ঘুৰি যাব লগীয়া হয়। সেয়েহে বৰ্তমান হাৰত যিটো হৈ আছে ১৬ জানুৱাৰীৰ পৰা ৩০ জুনলৈকে দৈনিক ৪৩ হাজাৰ লোৱে প্ৰতিষেধক ল'ব পাৰিছে। এই গতিত গ'লে আঢ়ৈ বছৰ অৰ্থাৎ ৯ শ দিন লাগিব। সেয়ে কেনেকৈ এইখিনি সোনকালে কৰিব পাৰি আৰু তাৰবাবে কি ব্যৱস্থা গ্ৰহণ কৰিব সেইটো মই স্বাস্থ্যমন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো।

**শ্ৰী কেশৱ মহন্ত (স্বাস্থ্য মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, বিৰোধী দলৰ দলপতি ডাঙৰীয়াই এই সময়ৰ এটা উপযোগী প্ৰশ্ন অনাৰ কাৰণে মই ধন্যবাদ জ্ঞাপন কৰিছো। ভেকচিনৰ ক্ষেত্ৰত এতিয়ালৈকে ৮৫, ৪১,০৫৫ জন ব্যক্তিক ভেকচিন দিয়া হৈছে। ইয়াৰ ভিতৰত ৭০,৭১,৪৮৬ জনক প্ৰথম পালি প্ৰতিষেধক আৰু ১৪, ৬৯, ৫৬৯ জনক দ্বিতীয় পালি ভেকচিন প্ৰদান কৰা হৈছে। শতকৰা হিচাপত প্ৰায় ৩০ শতাংশক দিয়া হৈছে। ৩০ শতাংশটো এনে ধৰণৰ আমাৰ যদি projected population ৩.৫৫ কোটি ধৰো, চেনচাচ মতে কম আছে। কিন্তু বাঢ়িছে বুলি ধৰিলে ৩.৫০ কোটি মানুহ যদি ধৰো তাতে এটা শতাংশ বাদ দিব লাগিব ১৮ বছৰৰ তলৰ। মানে ১৮ বছৰৰ ওপৰৰ খিনিকে আমি ভেকচিন দিব পাৰিম। তেতিয়া আমাৰ ২.৩৭ কোটি মানুহক আমি ভেকচিন দিব লগাৰ দায়বদ্ধতা আছে। গতিকে তেতিয়া প্ৰায় ২৯.৮ মানে আজিলৈ ৩০ শতাংশ হৈ গ'ল। ৩০ শতাংশ লোকক আমি ভেকচিন দিয়া হৈছে। দুই দোজ পোৱাটো কম হ'ব, কাৰণ আমি ১৪ লাখক দুই দোজ দিছো। দুই দোজ পোৱা দায়িত্বটো চৰকাৰৰ নহয়। দুই দোজ পাব লগা সময় হোৱাটোহে দায়িত্ব। তাৰমানে দুই দজ আমি মন গ'লে একেদিনাই দিব নোৱাৰো।

**শ্ৰী ভৰত নৰহ (নাওঁবৈচা) ঃ** শতাংশ কিমান হ'ব?

**শ্ৰীকেশৱ মহন্ত (স্বাস্থ্য মন্ত্ৰী) ঃ** শতাংশ আপুনি উলিয়াই লওক, লাগিলে মই উলিয়াই দিম। এতিয়া আমাৰ সন্মানীয় সদস্য ভৰত নৰহ ডাঙৰীয়াই যিটো কথা কৈছে আপুনি আজি এটা ভেকচিন ললে ৮৪ দিনৰ পিছত চেকেণ্ড দজ ল'ব লাগিব। আপুনি ভেকচিন আৰম্ভ হোৱাৰ পৰা ৮৪ দিনৰ আগৰটোতো একে দিন দি দুটা দোজ দিছো বুলি ক'ব নোৱাৰো।

**শ্ৰী ভৰত নৰহ (নাওঁবৈচা) ঃ** শতাংশ কিমান হ'ব? প্ৰতি দিনে কিমান দি আছে?

**শ্ৰীকেশৱ মহন্ত (স্বাস্থ্য মন্ত্ৰী) ঃ** শতাংশ আপুনি উলিয়াই লওক। মই কেলকুলেটৰ মাৰি উলিয়াই দিব পাৰো, সদনত কৈ দিছো মই আপুনিও উলিয়াই লওক।

**মাননীয় অধ্যক্ষ ঃ** Supplementary আছে। ডিবেট কৰিব নালাগে। সন্মানীয় সদস্য Supplementary.

**শ্ৰীকেশৱ মহন্ত (স্বাস্থ্য মন্ত্ৰী) ঃ** এতিয়া দুটা দোজৰ কথা যদি কয় দুটা দোজ প্ৰায় ৭ শতাংশ

মানুহে পাইছে। চৰকাৰে যদি আজি দুটা দোজ দিব লগা মানুহ ৰাস্তাত ৰৈ আছে তেতিয়া চৰকাৰ দোষী। দুটা দোজৰ অপেক্ষাৰ কাৰণে কোনো ৰব লগা হোৱা নাই। Covaxin অলপ কম আছিল বুলি মানুহে কৈছিল কিন্তু Covaxin এতিয়া আমাৰ বেছিকৈ আছে দুটা দোজ ল'বলৈ যি জিলাত পঠাই দিছিলো তাত লোৱাৰ পিছত Covaxin আমাক ঘুৰাই দিছে।

**শ্ৰী ভৰত নৰহ (নাওঁবৈচা) ঃ** প্ৰতি দিনে কিমান দি আছে?

**মাননীয় অধ্যক্ষ ঃ** হ'ব হ'ব, আপুনি হিচাপ দিয়কচোন কিমানে দুটা দোজ পোৱা নাই? ভৰত নৰহ ডাঙৰীয়া সময় হোৱাৰ পিছত কিমান জনে দুটা দোজ ল'বলৈ পোৱা নাই, কৈ দিয়ক মন্ত্ৰী ডাঙৰীয়াক।

(হুলস্থূল)

**মাননীয় অধ্যক্ষ ঃ** এতিয়া Supplementary আছে, তেখেতে সুধিব। মন্ত্ৰী ডাঙৰীয়া যাৰ প্ৰশ্ন তেখেতক উত্তৰ দিয়ক।

**শ্ৰীদেৱব্ৰত শইকীয়া (বিৰোধী দলৰ দলপতি) ঃ** মাননীয় অধ্যক্ষ মহোদয়, দ্বিতীয়তে, সুধিব বিচাৰো যে যোৱা সময়চোৱাত এই যিটো ক'ভিড-১৯ ৰ দ্বিতীয় ঢৌ আহিল, ইয়াত দেখা গৈছে যে ১৮ বছৰৰ তলৰ আৰু শিশু তেওঁলোকৰ প্ৰায় ৩৫ হাজাৰেই এপ্ৰিল মাহৰ পৰা এতিয়ালৈকে আক্ৰান্ত হৈছে। এই সকলৰ যিহেতু টিকাকৰণৰ ব্যৱস্থা হোৱা নাই তেখেত সকলক এই পৰিস্থিতিৰ পৰা বচাবলৈ শিশু আৰু কিশোৰৰ কাৰণে কি কি আঁচনি চৰকাৰে লৈছে এইখিনি মই জানিব বিচাৰো। যিহেতু এই শিশু বোৰ যথেষ্ট আক্ৰান্ত হৈছে।

**শ্ৰীকেশৱ মহন্ত (স্বাস্থ্য মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, এটা কথা অলপ ৰৈ গ'ল, ভেকচিনৰ যিটো বিষয় অলপ থাকি গ'ল। এতিয়া আমি যোৱা ২১, ২২, ২৩ তিনিদিনত আমি মেগা ভেকচিন ড্ৰাইভ এটা লৈছিলো, তিনি দিনত আমি ৯.৮৪ লাখ লোকক ভেকচিন দিছো। গতিকে ভেকচিন দিব পৰাকৈ সকলোখিনি আমাৰ সামৰ্থ্য আছে। আজিৰ দিনটোত যদি আমি ভেকচিন দিবলৈ যাওঁ আমাৰ ভেকচিনৰ সৰবৰাহ থাকিলে এইখিনি কথাৰ বাবে অধ্যক্ষ মহোদয়ৰ পৰা অকণমান অনুমতি বিচাৰিছোঁ, কাৰণ এইখিনি সদনৰ বাহিৰেও ৰাইজে জানিবলৈ ইচ্ছা কৰিছে। এতিয়া আমি ৫ লাখ ভেকচিন দিব পৰাকৈ আমাৰ স্বাস্থ্য বিভাগৰ যিটো মেকানিজিম এইটোত সামৰ্থ্য আছে, প্ৰতিদিনে। এই ক্ষেত্ৰত ভেকচিনটো নিয়ন্ত্ৰণ হৈছে কেন্দ্ৰীয় চৰকাৰৰ পৰা। গতিকে কেন্দ্ৰীয় চৰকাৰৰ পৰা আমি প্ৰথম ভেকচিন কিছু বিনামূলীয়াকৈ পাইছিলো এটা শতাংশ আৰু কিছু কিনি ল'ব লগা হৈছিল। আমি ৪৩ কোটি টকাৰ ভেকচিন কিনিছিলোঁ। তাৰ পিছতে বাকী ভেকচিনখিনি আমাক বিনামূলীয়াকৈ দিলে। এতিয়া সকলো ভেকচিন আমি বিনামূলীয়াকৈ পাই আছো। আমি টকা দি ভেকচিন ল'ব লগা হোৱা নাই। আগত আছিল কি ৪৫ বছৰ বয়সৰ পিছৰ খিনি বিনামূলীয়াকৈ দিব আৰু ১৮ বছৰ বয়সৰ পৰা ৪৪ বয়সৰ ভিতৰৰ খিনি আমি লৈছিলোঁ।

**শ্ৰীভৰত নৰহ (নাওঁবৈচা) ঃ** চাৰ, ৫ লাখ বুলি কৈছে ভেকচিন দিয়া বহুত চেন্টাৰ বন্ধ হৈ গৈছে।

**মাননীয় অধ্যক্ষ ঃ** মাননীয় সদস্য, তেখেতক প্ৰশ্নৰ উত্তৰ দিবলৈ দিয়ক। প্ৰশ্নকালীন ঘন্টাৰ উত্তৰ আছে।

(হুলস্থূল)

**মাননীয় অধ্যক্ষ ঃ** নহয়, তাৰ কাৰণে আলোচনা আপোনালোকে অন্য দিনত কৰক। এতিয়া মন্ত্ৰী মহোদয়।

**শ্ৰীপিযুষ হাজৰিকা (সংসদীয় পৰিক্ৰমা মন্ত্ৰী) ঃ** অধ্যক্ষ ডাঙৰীয়া, এটা দুখৰ কথা ক'ম নেকি?

**माननीय अध्यक्ष ঃ** হয়, অকণমান মোকো ক'বলৈ সুবিধা দিয়ক।

**শ্ৰীপিযুষ হাজৰিকা (সংসদীয় পৰিক্ৰমা মন্ত্ৰী) ঃ** অধ্যক্ষ ডাঙৰীয়া, এটা দুখৰ কথা ক'ব পাৰো, ভেকচিনৰ বিৰূদ্ধে কিছু কিছু দল সংগঠনে ৰাজনৈতিক দলে অপপ্ৰচাৰ কৰিছিল। তাৰ কাৰণে বহুত ভেকচিন নষ্ট হৈ গৈছিল।

(হুলস্থূল)

**শ্ৰীকমলাক্ষ দে পুৰকায়স্থ (উত্তৰ কৰিমগঞ্জ) ঃ** নাম ক'ব লাগে।

**শ্ৰীপিযুষ হাজৰিকা(সংসদীয় পৰিক্ৰমা মন্ত্ৰী) ঃ** কংগ্ৰেছ দলে কৰিছিল।

(হুলস্থূল)

**माननीय अध्यक्ष ঃ** হ'ব, শান্ত হওঁক। প্ৰশ্নটো চলিবলৈ দিয়ক।

**শ্ৰীপিযুষ হাজৰিকা(সংসদীয় পৰিক্ৰমা মন্ত্ৰী) ঃ** অধ্যক্ষ ডাঙৰীয়া, আজিৰ পৰা তিনিদিন আগত আপোনালোকৰ এটা সময়ৰ সহযোগী দলৰ অখিল গগৈ ডাঙৰীয়াই কৈছে যে এই ভেকচিন আমি নলওঁ।

(হুলস্থূল)

**माननीय अध्यक्ष ঃ** হ'ব, হ'ব। সন্মানীয় সদস্য ভৰত নৰহ ডাঙৰীয়া আপুনি জ্যেষ্ঠ বিধায়ক। Supplementary আছে, এইটোৰে উত্তৰ দিয়া হোৱা নাই, অসুবিধা নকৰিব কোনেও।

**শ্ৰীকেশৱ মহন্ত (স্বাস্থ্য মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, এতিয়া আমাৰ সংসদীয় পৰিক্ৰমা মন্ত্ৰীয়ে দুই এটা কথা কৈছে, মই নকও নকও বুলি বৈ আছিলো। কথা হ'ল ভেকচিনটো আজিৰ দিনটোত ৰাইজে বিচৰা এটা বিষয় আৰু আমাৰ সদনৰ পৰা ভাল মেচেজ যোৱাটো উচিত। বিৰোধী দলৰ দলপতি ডাঙৰীয়াই যেতিয়া তেখেতৰ প্ৰথম আৰু দ্বিতীয় চাপ্‌লিমেন্টৰী কৰিছে তেখেতৰ দলৰে সন্মানীয় জ্যেষ্ঠ সদস্য ভৰত নৰহ ডাঙৰীয়াই গোটেই বিষয়টো বিভ্ৰান্ত কৰিবৰ কাৰণে আজি সদনত এইটো কৰিছে। ভৰত নৰহ ডাঙৰীয়া, আপুনি সদনৰ নিয়ম নীতি জানে।

(হুলস্থূল)

**माननीय अध्यक्ष ঃ** সন্মানীয় সদস্য বহক।

**শ্ৰীকেশৱ মহন্ত (স্বাস্থ্যমন্ত্ৰী) ঃ** আপুনি চাপ্‌লিমেন্টৰী প্ৰশ্ন কিয় নুসুধিলে? আপুনি তেখেতৰ চাপ্‌লিমেন্টৰীৰ ওপৰত হস্তক্ষেপ কিয় কৰিছে? আপুনি চাপ্‌লিমেন্টৰী প্ৰশ্ন কিয় নুসুধিলে?

(হুলস্থূল)

**माननीय अध्यक्ष ঃ** হ'ব, সন্মানীয় সদস্য আপুনি বহক। মই কৈছো বহকচোন, মইহে চলাই আছো হাউচ।

(হুলস্থূল)

**माननीय अध्यक्ष ঃ** সন্মানীয় সদস্যসকল, প্ৰশ্নকালছোৱাত আমাৰ ৰুল মতে প্ৰশ্ন আৰু উত্তৰৰ ওপৰত মাজতে অন্য কোনো সদস্যই প্ৰশ্ন কৰিব নোৱাৰে। যিয়ে উত্তৰ নহওঁক কিয়, সেইটো শুদ্ধ উত্তৰে। সেইটোত supplementary যিয়ে কৰিব, তেখেতে কৰিব পাৰে। বাকী সদস্যসকলে কিয় তেনেকুৱা উত্তৰ দিছে বুলি দোষ দিব নোৱাৰে। সেইটো ৰুল। এনেকুৱা নহয় যে প্ৰত্যেকটো উত্তৰে আপোনাক সন্তুষ্ট কৰিব, নকৰিবও পাৰে। সদনত বিৰোধী দলৰ দলপতিয়ে ধুনীয়াকৈ প্ৰশ্ন কৰি আছে আৰু মন্ত্ৰী মহোদয়ে উত্তৰ দি আছে। গতিকে এই গুৰুত্বপূৰ্ণ বিষয়টোৰ কাৰণে প্ৰশ্ন উত্তৰৰ ক্ষেত্ৰত supplementary হ'ব লাগে আৰু মন্ত্ৰী ডাঙৰীয়াই ইয়াৰ ওপৰত বিৰৰণী দি ক'ব পাৰিব লাগে।

এতিয়া মাননীয় সদস্য ওয়াজেদ আলী চৌধুৰী।

**শ্ৰীওয়াজেদ আলী চৌধুৰী (দক্ষিণ শালমৰা)ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ ক’ভিড প্ৰতিষেধক টিকাকৰণৰ যিটো ব্যৱস্থা। এই ব্যৱস্থাটো আছিল যে টিকা ল’ব নালাগে। এইটো কংগ্ৰেছ দলৰ ফালৰ পৰা কোৱা কথা বুলি যিটো কৈছে মাননীয় সংসদীয় পৰিক্ৰমা বিভাগৰ মন্ত্ৰী ডাঙৰীয়াই, সেইটো সঁচা নহয়। কাৰণ ইতিমধ্যে চৰ অঞ্চলৰ ৰাইজে টিকাকৰণৰ কাৰণে দাবী জনাই আছে। মই মাননীয় স্বাস্থ্য মন্ত্ৰী মহোদয়ক মডে’ল হস্পিতালত টিকাকৰণৰ বাবে অনুৰোধ জনাইছিলো, তেখেতে দিছে। এতিয়া টিকাৰ অভাৱ হৈছে। গতিকে মই আপোনাৰ জৰিয়তে স্বাস্থ্যমন্ত্ৰী ডাঙৰীয়াক অনুৰোধ কৰিব খুজিছো যে চৰ অঞ্চলত riverine hospital ত এই টিকাকৰণৰ ব্যৱস্থা কৰিব নেকি? দ্বিতীয়তে এই যিটো বিতৰ্ক হ’ল বিশেষকৈ ৰাজনৈতিক দলক যিটো দোষাৰোপ কৰিলে মই ভাৱো এইটো ক্ষেত্ৰত half an hour discussion দিব নেকি?

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে। আপোনালোকে notice দিব। এতিয়া স্বাস্থ্যমন্ত্ৰী মহোদয়।

**শ্ৰীকেশৱ মহন্ত (স্বাস্থ্য মন্ত্ৰী)ঃ** মাননীয় অধ্যক্ষ মহোদয়, ভেকচিনৰ ক্ষেত্ৰত যিটো পৰামৰ্শ দিছে, সেই পৰামৰ্শটো মই লৈছো। সেই পৰামৰ্শটো বিভাগৰ লগত কথা পাতি সেই ধৰণেও ভেকচিন দিয়াৰ কাৰণে ব্যৱস্থা লম। কাৰণ আমাৰ যিকেইখন পাহাৰীয়া জিলা তাত ভেকচিন দিয়াৰ ক্ষেত্ৰত মোবাইল টিম বহাই দিছো, যাতে তেওঁলোকে গাওঁত গৈ ভেকচিন দিব পাৰে। সেই ক্ষেত্ৰত আৰু যদি কিবা ব্যৱস্থা লব লাগে আমি লম। মাননীয় অধ্যক্ষ মহোদয়, ইমান চেষ্টা কৰাৰ পিছতো আজিৰ সদনৰ পৰা ভেকচিনৰ ক্ষেত্ৰত কোনো ধৰণৰ বেয়া মেচেজ যাব নালাগে। মাননীয় প্ৰধানমন্ত্ৰীৰ লগত মাননীয় মূখ্যমন্ত্ৰী ডাঙৰীয়াই আজিৰ পৰা তিনিদিনৰ আগত দীঘলীয়া আলোচনা কৰিছে আৰু অধিক ভেকচিন সৰবৰাহৰ কাৰণে অনুৰোধ কৰিছে। আৰু আমি আশা কৰিছো অধিক ভেকচিন আহিব। কিন্তু গোটেইতো কেন্দ্ৰীয় চৰকাৰৰ নিয়ন্ত্ৰণত থাকে। production ৰ ওপৰত ভিত্তি আমি সকলো ৰাইজে পাওঁ। আমি এতিয়ালৈকে ৮৫ লাখ ভেকচিন পাইছো। এতিয়া আমাৰ ইয়াত কি হৈ আছে ইমান উৰাবাতৰি কিছু অঞ্চলত ওলাল যিটো কাৰণে আমি ভেকচিন দিয়াৰ কাৰণে মানুহ উলিয়াই আনিব পৰা নাছিলো। মানুহে ভেকচিন লবলৈ নাহে। এতিয়া ভেকচিন লবলৈ যথেষ্ট awareness campaign কৰি গাওঁবুঢ়া, আশাকৰ্মী আৰু বিভিন্ন সংগঠনৰ জৰিয়তে সজাগতা আনি মানুহে সন্মত হৈছে আৰু ভেকচিন লবলৈ আগবাঢ়ি আহিছে। আমি প্ৰত্যেক দিনাই ভেকচিন দি আছো। কেতিয়াবা কৰবাত সংখ্যাটো অলপ কম, বেছি হৈছে। অন্যান্য ৰাজ্যতকৈ বহুত বেছি ভেকচিন আনিব পাৰিছো মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ বিশেষ তৎপৰতাৰ কাৰণে কাম খিনি হৈছে।

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে। মাননীয় সদস্য ৰূপক শৰ্মা।

**শ্ৰীৰূপক শৰ্মা (নগাওঁ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, যিহেতু আমি দেখা পাইছো যে বহু কম সময়ত ৮৫ লাখ ভেকচিন দিয়া হৈছে, সেইটো আমাৰ কাৰণে ভাল খবৰ। লগতে ভিতৰুৱা অঞ্চল বিলাকতো দিয়াৰ ব্যৱস্থা কৰা হৈছে। কিন্তু মোৰ এটা অনুৰোধ আছিলে য’ত ভেকচিনেচন চেন্টাৰ বোৰ আছে, তাত কিছুমান শাৰীৰিকভাৱে অক্ষম ব্যক্তি, জ্যেষ্ঠ ব্যক্তিসকল আছে, তেখেতসকলে চেন্টাৰত গৈ ভেকচিন ল’ব নোৱাৰে। সেইবিলাক শাৰিৰিকভাৱে অক্ষম ব্যক্তি, জ্যেষ্ঠ ব্যক্তিসকলক ঘৰে ঘৰে গৈ ভেকচিন দিয়াৰ কাৰণে ব্যৱস্থা লব নেকি?

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে। মন্ত্ৰী ডাঙৰীয়া।

**শ্ৰীকেশৱ মহন্ত (স্বাস্থ্য মন্ত্ৰী)ঃ** মাননীয় অধ্যক্ষ মহোদয়, এতিয়া আমি ভেকচিনৰ ক্ষেত্ৰত যিসকল

শাৰীৰিক ভাৱে অক্ষম আৰু বৃদ্ধ বা বিশেষ কাৰণত আগবাঢ়ি আহিব নোৱাৰে, তেওঁলোকৰ কাৰণে আমি এটা SOP উলিয়াই দিছো near to home তাৰমানে ঘৰৰ সন্মুখত গৈ ভেকচিন দিয়া হ'ব। এইটোৰ কাৰণে নিৰ্দেশ দিয়া হৈছে। মাননীয় অধ্যক্ষ মহোদয়, হুvaccine, containment zone, testing সকলো বিলাকৰ কাৰণে মাননীয় মূখ্যমন্ত্ৰী ডাঙৰীয়াই প্ৰতিখন জিলাত এজনকৈ মন্ত্ৰী, কোনাবা মন্ত্ৰীৰ ভাগত দুখন, কোনাবা মন্ত্ৰীৰ ভাগত তিনিখন জিলাত গৈ পৰিচালনা কৰিছে। প্ৰত্যেকজন বিধায়কক তেখেতসকলৰ সমষ্টিৰ সভাপতি কৰি দিছো কভি'ড পৰিচালনা কৰাৰ ক্ষেত্ৰত, Circle officer, Member Secretary আদি সকলোকে দায়িত্ব দিয়া হৈছে।

(*সদনত হুলস্থুল*)

**মাননীয় অধ্যক্ষ ঃ** Supplementary question কৰিব। reply তো দিব দিয়ক। আপোনালোকে reply তো শুনি লওঁক।

(*সদনত হুলস্থুল*)

**শ্ৰীকেশৱ মহন্ত (স্বাস্থ্য মন্ত্ৰী)ঃ** মাননীয় অধ্যক্ষ মহোদয়, ইমান ভালকৈ পৰিচালনা হোৱাৰ পিছতো আপোনালোকে কিয় ইমান বেয়া পাইছে।

**মাননীয় অধ্যক্ষ ঃ** ভেকচিন দিয়াৰ কথাই কৈ আছে। আপোনালোকে reply তো শুনি লওঁক।

(*সদনত হুলস্থুল* )

**মাননীয় অধ্যক্ষ ঃ** এতিয়া সদন বিয়লি **৩** বজালৈকে স্থগিত ৰখা হৈছে।

**(সদনৰ কাৰ্যসূচী পুনৰ বিয়লি ৩.০০ বজাৰ পৰা আৰম্ভ হয়)**

**মাননীয় অধ্যক্ষ ঃ** এতিয়া মাননীয় বিত্ত মন্ত্ৰীয়ে অসম চৰকাৰৰ ২০২১-২২ বৰ্ষৰ বাৰ্ষিক বিত্তীয় প্ৰতিবেদনখন (প্ৰাক্কলিত বাজেট) সদনত উত্থাপন কৰিব। (সদনত বাজেটৰ প্ৰতিলিপিসমূহ মাননীয় সদস্য সকলৰ মাজত বিতৰণ কৰে)

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। এতিয়া এটা সৰু ঘোষণা আছে। আমাৰ সকলো সন্মানীয় সদস্যসকলে এটা কথা কৈ আছে যে এইবাৰৰ পৰা Laptop ব্যৱহাৰৰ কথা কৈছিলো যদিও কিছু Technical অসুবিধাৰ কাৰণে ব্যৱহাৰ কৰিব পৰা নহ'ল। আগতে Laptop বিলাক LAN যোগেদি connect কৰা হৈছিলে। এতিয়া Wifi ৰ ব্যৱস্থা কৰা হৈছে আৰু অহা সোমবাৰৰ পৰা iPod, Laptop আদি ব্যৱহাৰ কৰিব পাৰিব। কিন্তু Mobile বাহিৰত থৈ আহিব লাগিব, নহ'লে ইয়াত Wifi ৰ সমস্যা সৃষ্টি হ'ব। গতিকে সকলোৰে কাৰণে অসুবিধা হ'ব। এতিয়া সদন ইংৰাজী ১৯-০৭-২০২১ তাৰিখৰ পুৱা ৯ঃ৩০ বজালৈ স্থগিত ৰখা হ'ল।